**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 13-05-2026 **Time :** 0755 Hrs.

ডঃ হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথমখন কেবিনেট বৈঠক আজি অনুষ্ঠিত হ'ব। কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত দিনৰ দুই বজাত বৈঠকখন আৰম্ভ হ'ব। উল্লেখযোগ্য যে, ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি খানাপাৰাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিভিন্ন ৰাজ্যৰ ২১ গৰাকী মুখ্যমন্ত্ৰী তথা বহু কেইগৰাকী বিশিষ্ট ব্যক্তিৰ লগতে লক্ষ্যাধিক লোকৰ উপস্থিতিত দ্বিতীয়বাৰৰ বাবে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ লগতে তেওঁৰ চাৰিগৰাকী সতীৰ্থ বিধায়কেও কালি খানাপাৰাত শপত গ্ৰহণ কৰে। বিজেপিৰ অজন্তা নেওগ আৰু ৰামেশ্বৰ তেলী, মিত্ৰদল অগপৰ পৰা দলটোৰ সভাপতি অতুল বৰা আৰু বিপিএফৰ পৰা চৰণ বড়োৱে কালি মন্ত্ৰী হিচাপে শপত লয়। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে বিধানসভাৰ অধ্যক্ষ হিচাপে দায়িত্ব ল'ব বুলি ডঃ শৰ্মাই প্ৰকাশ কৰিছে।

ইপিনে, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মন্ত্ৰীসভা শীঘ্ৰেই সম্প্ৰসাৰণ কৰা হ'ব বুলি ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই কালি সংবাদ মাধ্যমক জানিবলৈ দিয়ে। সভাপতি শ্ৰীশইকীয়াই কয়, যে ২১ মে'ৰ পৰা হ'বলগীয়া অসম বিধানসভাৰ অধিৱেশনত নতুন মন্ত্ৰীসকলে শপত গ্ৰহণ কৰিব। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ডঃ শৰ্মাৰ সৈতে আলোচনা চলি আছে বুলিও তেওঁ প্ৰকাশ কৰে।

**বাইট (দিলীপ শইকীয়া)**

০০০০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তই জামিনৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা আবেদনৰ শুনানি আজি গ্ৰহণ কৰা হ'ব। বৰ্তমান বাক্সা জিলা কাৰাগাৰত বন্দী হৈ থকা অভিযুক্তজনৰ জামিন আবেদন সোমবাৰে তেওঁৰ অধিবক্তাই উচ্চ ন্যায়ালয়ত দাখিল কৰাৰ পাছত আবেদনৰ শুনানি ন্যায়াধীশ পাৰ্থজ্যোতি শইকীয়াৰ বিচাৰপীঠত তালিকাভুক্ত কৰা হৈছে। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে যোৱা ৩০ এপ্ৰিলত শ্যামকানু মহন্তৰ জামিন আবেদন নাকচ কৰিছিল। আদালতে গোচৰটোৰ আন এজন অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন যোৱা ৪ মে'ত নাকচ কৰিছিল।

০০০০০০০

অন্ধ বিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে সাহসেৰে যুঁজ দি সমাজত জাগৰণৰ সূচনা কৰি যোৱা পদ্মশ্ৰী সন্মানেৰে সন্মানিত বীৰুবালা ৰাভাৰ পূণ্য তিথি উপলক্ষে আজি শ্ৰদ্ধা নিবেদন কৰা হৈছে। গোৱালপাৰা জিলাৰ অসম-মেঘালয় সীমান্তৰ ঠাকুৰভিলা নামৰ এখন গাঁৱত জন্মগ্ৰহণ কৰা বীৰুবালা ৰাভাই ২০০০ চনৰ পৰা ডাইনী কু-প্ৰথাৰ বিৰুদ্ধে সক্ৰিয় হৈ কাম কৰি আহিছিল। কমেও ৩৪ গৰাকী লোকৰ প্ৰাণ ৰক্ষা কৰা বীৰুবালা ৰাভাই ২০১১ চনত গোৱালপাৰা জিলাত মিছন বীৰুবালা আৰম্ভ কৰে। ২০১২ চনৰ ৩০ অক্টোবৰত এই মিছনক ৰাজ্যিক অভিযান হিচাপে স্বীকৃতি দিয়া হয়। ২০২১ চনত পদ্মশ্ৰী সন্মানেৰে সন্মানিত বীৰুবালা ৰাভাৰ নাম ২00৫ চনত শান্তিৰ ন'বেল বঁটাৰ বাবেও প্ৰেৰণ কৰা হৈছিল। মুখ্যমন্ত্ৰী ডঃহিমন্ত বিশ্ব শৰ্মাই সামাজিক কু-সংস্কাৰ আৰু অন্ধ বিশ্বাসৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰা এইগৰাকী মহান নাৰীক আজি শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছে। বীৰুবালা ৰাভাৰ পূণ্য তিথিতো চৰকাৰে কু-সংস্কাৰ বিৰোধী দিৱস হিচাপে পালন কৰি অহাৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এইগৰাকী মহিয়সী নাৰীৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে।

গোৱালপাৰা জিলাৰ লগতে বিভিন্ন স্থানত আজি কু-সংস্কাৰ বিৰোধী দিৱস পালন কৰা হৈছে। মিছন বীৰুবালাৰ উদ্যোগত আৰু জিলা সমাজ কল্যাণ বিভাগৰ সহযোগত ঠাকুৰভিলাৰ বীৰুবালা ৰাভা সাংস্কৃতিক ভৱনত এই উপলক্ষে কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

ooooooo

ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত চি কে শৰ্মা প্ৰেক্ষাগৃহত খেলুৱৈসকলক নিষিদ্ধ ঔষধ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ উদ্দেশ্যে কালি এটা শিবিৰ অনুষ্ঠিত হয়। এই সজাগতা শিবিৰত ক্ৰীড়াৰ ক্ষেত্ৰত নিষিদ্ধ ঔষধ ব্যৱহাৰ কৰি বহু খেলুৱৈ নিষিদ্ধ হোৱা ঘটনা সন্দৰ্ভত প্ৰায় ৮০ গৰাকী খেলুৱৈ আৰু অভিভাৱকক অৱগত কৰোৱা হয়।

ooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতা যোৱা নিশা অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে ছানৰাইজাৰ্ছ হায়দৰাবাদৰ ৮২ ৰানত পৰাস্ত কৰি পইণ্ট তালিকাৰ শীৰ্ষত স্থান লাভ কৰে। ১৬৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ছানৰাইজাৰ্ছ হায়দৰাবাদে ১৪ অ'ভাৰ আৰু ৫ টা বলতেই আটাই কেইটা উইকেট হেৰুৱাই ৮৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। গুজৰাট টাইটানছৰ হৈ কাগিছ' ৰাবাদা আৰু জেচন হোল্ডাৰে তিনিটাকৈ উইকেট দখল কৰাৰ লগতে প্ৰসিদ্ধ কৃষ্ণাই দুটা আৰু মহম্মদ চিৰাজ আৰু ৰশ্বিদ খানে এটাকৈ উইকেট লাভ কৰে। কাগিছ ৰাবাদাক প্লেয়াৰ অৱ দ্যা মেচ ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে গুজৰাট টাইটানছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৫ টা উইকেটৰ বিনিময়ত ১৬৮ ৰান সংগ্ৰহ কৰে। সাই সুদৰ্শনে সৰ্বাধিক ৬১ আৰু ৱাচিংটন সুন্দৰে ২০ ৰানৰ বৰঙণি আগবঢ়ায়। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৈ প্ৰফুল হিংগে আৰু ছাকিব হুচেইনে ২টাকৈ আৰু অধিনায়ক পেট কামিন্চে এটা উইকেট লাভ কৰে। প্ৰতিযোগিতাত আজি ৰায়পুৰত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooooo

**সমাপ্ত**